আমাৰ অসম
www.amarasom.glpublications.in

## সোণালী জয়ন্তী সমাৰোহত অসম-অৰুণাচলৰ সাংস্কৃতিক বিনিময়ে বিলালে শান্তি-সমন্বয়ৰ বাৰ্তা

# ছয়দুৱাৰ মহাবিদ্যালয়ৰ বাৰেৰহনীয়া দৃষ্টিনন্দন সাংস্কৃতিক শোভাযাত্ৰাৰে প্ৰোজ্জ্বল গহপুৰ



বৰঙাবাৰীৰ প্ৰতিবেদক, ৩ নৱেম্বৰৰ ঃ কঁহুৱা ফুলাৰ বতৰত শাৰদীয় অনুভৱেৰে জীপাল হৈ পৰা মধুময়-মায়াময় পৰিৱেশৰ মাজত চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে চলি থকা গহপুৰ মহকুমাৰ শৈক্ষিক জগতৰ বটবৃক্ষ ছয়দুৱাৰ মহাবিদ্যালয়ৰ গৌৰৱোজ্বল সোণালী জয়ন্তী সমাৰোহৰ আজি তৃতীয় দিনা মহাবিদ্যালয়খনৰ পৰা উলিওৱা বাৰেৰহনীয়া দৃষ্টিনন্দন সাংস্কৃতিক শোভাযাত্ৰাই গহপুৰ নগৰৰ চৌপাশত নান্দনিক পৰিৱেশৰ সৃষ্টি কৰে। আজি পুৱা ১০ বজাত ছয়দুৱাৰ মহাবিদ্যালয়ৰ মূল প্ৰৱেশ পথত সাংস্কৃতিক শোভাযাত্ৰাৰ শুভ উদ্বোধন কৰি তেজপুৰ বিধান সভা সমষ্টিৰ বিধায়ক তথা গহপুৰৰ কলাবাৰীৰ সুযোগ্য সন্তান বৃন্দাবন গোস্বামীয়ে কয় যে জন্মভূমি গহপুৰ পৃথিৱীৰ আটাইতকৈ আপুৰুগীয়া স্থান। শ্বহীদৰ ৰক্তৰে ৰঞ্জিত গহপুৰৰ প্ৰাচীনতম দৌল, দেৱালয়, মন্দিৰ তথা কীৰ্তিচিহ্ন সমূহে আজিও সোঁৱৰাই আছে অতীতৰ সোণোৱালী ঐতিহ্য। গহপুৰৰ প্ৰতিখন ঠাইৰ বিশেষত্ব আছে। আহোম যুগৰ দৰং পাল ৰজাৰ কাৰ্যকালৰ শেষৰফাললৈ খন্দোৱা বৰদৰঙী, সৰুদৰঙী পুখুৰীয়ে ঐতিহ্যৰ কথা সোঁৱৰাই আছে আজিও। পৰ্বতীয়া সকলক নিয়ন্ত্ৰণ কৰিবলৈ অঞ্চলটোত ছখন দুৱাৰ নিৰ্মাণ কৰিছিল বাবেই ছয়দুৱাৰ হিচাপে পৰিচিত এই পবিত্ৰ ভূমি। দৰং পাল ৰজাৰ কন্যা দৈব্যা দেবীক যি স্থানৰ পৰা অপহৰণ কৰিবলৈ আহিছিল, সেই স্থানৰ নাম হ'ল ডুবিয়া আৰু অপহৰণ কৰিবলৈ অহা চেংনামক যি স্থানত কাটিছিল সেয়েই হ'ল আজিৰ চেংমৰা। প্ৰাচীনতম ঐতিহ্যৰে ভৰপুৰ এই গহপুৰৰ পবিত্ৰ ভূমিত পৰৱৰ্তী সময়ত জ্যোতিপ্ৰসাদ-কনকলতা-মুকুন্দ কাকতিৰ দৰে বৰেণ্য ব্যক্তিসকলৰ পদধূলাৰে জীপাল হৈ উঠে। গহপুৰৰ এই পূণ্য ভূমিতে মহাবিদ্যালয়খনে গৌৰৱোজ্বল সোণালী জয়ন্তী সমাৰোহ উদযাপনৰ ব্যৱস্থা কৰাত তেওঁ অতিশয় আনন্দিত আৰু গৌৰৱান্বিত বুলি উদ্বোধনী ভাষণত উল্লেখ কৰে। ছয়দুৱাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অঞ্জন কুমাৰ ওজাৰ লগতে উদযাপন সমিতিৰ সমূহ বিষয়-ববীয়া, অধ্যাপক-অধ্যাপিকাসহ মহাবিদ্যালয়খনৰ পৰা গহপুৰ নগৰৰ মাজেৰে চতিয়াচুক, ৰূপনগৰ হৈ পুনৰ সমাৰোহথলীলৈ উভতি অহা প্ৰায় দুই কিলোমিটাৰ দৈৰ্ঘ্যৰ সাংস্কৃতিক শোভাযাত্ৰাটোত অংশগ্ৰহণ কৰা বিহু, মিচিং সম্প্ৰদায়ৰ আলি-আয়ে-লৃগাং উৎসৱৰ দৃশ্যপট, বড়ো, নেপালী, চাহ-জনগোষ্ঠী, দেউৰী আদি বিভিন্ন জাতি জনগোষ্ঠীৰ সাংস্কৃতিক কাৰ্যসূচী, গুৰুজনাৰ মহান সৃষ্টি গায়ন-বায়ন আৰু ভাওনাৰ দৃশ্যাংশ আৰু অসমৰ গ্ৰাম্য জীৱনৰ দৃশ্য আদিয়ে উজ্জীৱিত কৰি তোলে গহপুৰ নগৰ। একেদৰে ছয়দুৱাৰ মহাবিদ্যালয়ৰ শিক্ষক গোট, ৰাজনীতি বিজ্ঞান বিভাগ, ইংৰাজী বিভাগ, বাণিজ্য শাখা আদিয়ে প্ৰদৰ্শন কৰা কেতবোৰ ব্যতিক্ৰমী দৃশ্যপটে আকৰ্ষণীয় কৰি তোলে শোভাযাত্ৰাৰ পৰিৱেশ। ছাত্ৰী আৱাসৰ ছাত্ৰীসকলে পৰিৱেশন কৰা দুৰ্গা দেৱীৰ আৰাধনাই সোণত সুৱগা চৰাই শোভাযাত্ৰাটো। ইয়াৰ পিছতে বিয়লি ২ বজাৰ পৰা অনুষ্ঠিত হয় অসম-অৰুণাচলৰ সাংস্কৃতিক বিনিময়মূলক কাৰ্যসূচী। অৰুণাচলৰ বিশিষ্ট শিল্পী বেংগীয়া হেমন্তই উদ্বোধন কৰা সাংস্কৃতিক বিনিময়মূলক কাৰ্যসূচীত অৰুণাচলী গীত, নৃত্যৰ লগতে বিহু, মিচিং, বড়ো আদি লোকনৃত্যই সমন্বয়থলীলৈ পৰিণত কৰে সোণালী জয়ন্তী সমাৰোহৰ মঞ্চ। সমন্বয়ৰ বাৰ্তা লৈ অনুষ্ঠিত হোৱা সাংস্কৃতিক বিনিময় কাৰ্যসূচীয়ে পাহাৰ-ভৈয়ামৰ মাজত অধিক সুদৃঢ় কৰে সমন্বয়ৰ বান্ধোন। বিভিন্ন কাৰণত অসম-অৰুণাচলৰ মাজত মাজে-সময়ে সংঘাতপূৰ্ণ পৰিস্থিতি সৃষ্টি হৈ অহাৰ সময়তে আজিৰ অনুষ্ঠানটোৱে বিলাই গ'ল এক ইতিবাচক বাৰ্তা। য'ত উজ্জীৱিত হ'ল প্ৰেম-ভাতৃত্ববোধ আৰু সমন্বয়ৰ মৈটমৰা সম্ভাৰ। ইপিনে আজি সন্ধিয়া ৭ বজাৰ পৰা আমন্ত্ৰিত শিল্পীৰ দ্বাৰা অনুষ্ঠিত সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰী তথা আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন চলচিত্ৰ নিৰ্মাতা ৰবী শৰ্মা বৰুৱাই। আজি আহিব মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱাল ঃ কাইলৈ অনুষ্ঠিত হ'বলগীয়া অন্তিম দিনৰ মুকলি সভাত মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে মন্ত্ৰী ৰঞ্জিৎ দত্ত, পল্লৱ লোচন দাস, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ৰঞ্জিৎ তামুলী, কেন্দ্ৰীয় চৰকাৰৰ প্ৰধান আয়কৰ আয়ুক্ত হেমন্ত বিজয় মহন্তই অংশগ্ৰহণ কৰিব।